**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-05-2026
**Time :** 21-25 Hrs

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

কেন্দ্ৰীয় চৰকাৰৰ গৃহ মন্ত্ৰালয়ৰ অধীনত হ'বলগীয়া ২০২৭ বৰ্ষৰ লোকপিয়ল সন্দৰ্ভত ইতিমধ্যে অধিসূচনা জাৰি কৰা হৈছে। লোকপিয়লৰ পূৰ্বে গৃহ পঞ্জীয়ন প্ৰক্ৰিয়া সঠিক আৰু প্ৰযুক্তিভিত্তিক ভাবে সম্পন্ন কৰাৰ লক্ষ্যৰে ৰাজ্যৰ জিলা প্ৰশাসনসমূহে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাষ্ট্ৰীয় লোকপিয়ল কাৰ্যসূচীৰ অধীনত গৃহ পঞ্জীয়ন প্ৰক্ৰিয়া অধিক ফলপ্ৰসূ আৰু স্বচ্ছ কৰি তোলাৰ লক্ষ্যৰে এই প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। তামুলপুৰ, ধেমাজি, শিলচৰ, মৰিগাঁও জিলাত আজি লোকপিয়লৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। সমাগত লোকপিয়ল সুচাৰুৰূপে সম্পন্ন কৰাৰ উদ্দেশ্যে আয়োজিত এই প্ৰশিক্ষণ কাৰ্যসূচী পৰহিলৈ চলিব।

০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনত কাইলৈৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কম্পাৰ্টমেণ্টেল পৰীক্ষাসমূহ  অনুষ্ঠিত হ'ব। অহা ৫ জুনলৈ চলিবলগীয়া এই পৰীক্ষাত এইবেলি ৬৪ হাজাৰ ৫০ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হ'ব। পৰিষদৰ সচিব নৰনাৰায়ণ নাথে জনোৱা অনুসৰি ৰাজ্যৰ মুঠ ১১৬টা কেন্দ্ৰত কাইলৈৰ পৰা কম্পাৰ্টমেণ্টেল পৰীক্ষা আৰম্ভ হ'ব। পৰীক্ষা সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে বিভিন্ন জিলাৰ প্ৰশাসনে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে।

০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে শিল্পী জুবিন গাৰ্গৰ হত্যাৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনৰ ৰায় কাইলৈ প্ৰদান কৰিব। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠে কাইলৈ দিনৰ ২ বজাত এই ৰায় প্ৰদান কৰিব। ইয়াৰ পূৰ্বে বাক্সাৰ জিলা কাৰাগাৰত কাৰাৰুদ্ধ হৈ থকা অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মজিয়াত কেইবাদিনো ধৰি শুনানি অনুষ্ঠিত হৈছিল। শুনানিকালত জ্যেষ্ঠ অধিবক্তা প্ৰাণ বৰাই অভিযুক্ত শ্যামকানু মহন্তৰ জামিনৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰাৰ বিপৰীতে ৰাজ্য চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়াই ইয়াৰ বিৰোধিতা কৰিছিল। উভয় পক্ষৰ যুক্তি শুনাৰ পাছত উচ্চ ন্যায়ালয়ে কাইলৈ শ্যামকানু মহন্তৰ জামিন আবেদনৰ ৰায় প্ৰদান কৰিব। আনহাতে ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতেও কাইলৈ অভিযুক্ত শেখৰজ্যোতি গোস্বামীৰ জামিন আবেদনৰ ৰায় প্ৰদান কৰিব।

০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশৰ পাছতে বন বিভাগ আৰু জিলা প্ৰশাসনে গোলাঘাট জিলাৰ মেৰাপানীৰ ২ নম্বৰ নেঘেৰিবিল আৰু উৰিয়ামঘাটত পুনৰ উচ্ছেদৰ প্ৰস্তুতি আৰম্ভ কৰিছে। বন বিভাগে জনোৱা মতে ২ নম্বৰ নেঘেৰিবিলৰ ৫৭টা আৰু উৰিয়ামঘাটৰ ১১টা পৰিয়ালক অহা মাহৰ প্ৰথম ভাগতে উচ্ছেদ কৰা হ'ব। উচ্ছেদৰ

সম্ভাৱনাক কেন্দ্ৰ কৰি হ'ব পৰা উদ্বেগজনক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত অঞ্চল দুটাত ব্যাপক নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছে। আজি ৰাজ্যৰ বন বিভাগৰ বিশেষ মুখ্য সচিব এম কে যাদৱে দুয়োটা অঞ্চল পৰিদৰ্শন কৰে। তেওঁৰ সৈতে জিলা আয়ুক্ত পূবালী গোহাঁই আৰু চি আৰ পি এফৰ বিষয়াবৰ্গও আছিল।

০০০০

বিশ্ব ঋতুশ্ৰাব পৰিস্কাৰ-পৰিচ্ছন্নতা দিৱস উপলক্ষে আজি পশ্চিম কাৰ্বি আংলং জিলাৰ ডংমকামোকাম খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত কাৰ্বি ৰংচপি গাঁৱত এটা সজাগতা আৰু স্বাস্থ্য সেৱা কাৰ্যসূচী অনুষ্ঠিত হয়। ঋতুশ্ৰাবক লৈ সমাজৰ কু-সংস্কাৰ আৰু ভ্ৰান্ত ধাৰণা দূৰ কৰাৰ লগতে মহিলাসকলৰ মাজত নিৰাপদ ঋতুশ্ৰাৱ ব্যৱস্থাপনা, ব্যক্তিগত পৰিস্কাৰ-পৰিচ্ছন্নতা আৰু স্বাস্থ্য সচেতনতা বৃদ্ধিৰ লক্ষ্যৰে প্ৰতিবছৰে আজিৰ দিনটোত বিশ্বজুৰি এই দিৱস পালন কৰা হয়। এই দিৱস উপলক্ষে পশ্চিম কাৰ্বি আংলং জিলা ম'বাইল ইউনিট আৰু অসম ৰাজ্যিক জীৱিকা অভিযানৰ যৌথ উদ্যোগত অঞ্চলটোৰ কিশোৰী, ছাত্ৰী আৰু মহিলাসকলৰ বাবে এটা বিশেষ স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। শিবিৰত চিকিৎসক আৰু স্বাস্থ্যকৰ্মীৰ দলটোৱে মহিলাসকলৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে ৰক্তহীনতা, পুষ্টিহীনতা আৰু ঋতুশ্ৰাৱজনিত স্বাস্থ্য সমস্যা আদি বিষয়ত পৰামৰ্শ আগবঢ়ায়।

০০০০

সম্ভাব্য জৰুৰীকালীন পৰিস্থিতিৰ সময়ত সামাজিক মাধ্যমত বিভ্ৰান্তিকৰ তথ্যৰ প্ৰচাৰৰ জৰিয়তে যাতে আতংকময় পৰিৱেশৰ সৃষ্টি নহয় তাৰ বাবে দৰং জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। জিলা আয়ুক্ত আয়ুষী জৈনে তৎকালীনভাৱে কাৰ্যকৰী হোৱাকৈ এটা নিৰ্দেশনা জাৰি কৰিছে। দুৰ্যোগ সম্পৰ্কীয় যিকোনো অপ্ৰমাণিত, ভিত্তিহীন তথ্য সামাজিক মাধ্যমত প্ৰচাৰ নকৰিবলৈ নিৰ্দেশনাৰ জৰিয়তে আহ্বান জনোৱা হৈছে। দুৰ্যোগকালীন সময়ত ভুৱা সংবাদ চিনাক্তকৰণ, পৰীক্ষণ আৰু প্ৰতিৰোধৰ উদ্দেশ্যে এখন তথ্য পৰীক্ষণ সমিতি গঠন কৰা হৈছে। এই সমিতিখনক সামাজিক মাধ্যমত প্ৰচাৰিত ভুৱা তথ্য চিনাক্তকৰণ, প্ৰয়োজন অনুসৰি অপসাৰণৰ ব্যৱস্থা গ্ৰহণৰ লগতে আইনগত ব্যৱস্থা গ্ৰহণৰ বাবে পৰামৰ্শ আগবঢ়োৱাৰ ক্ষমতা প্ৰদান কৰা হৈছে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত নিউ চণ্ডীগড়ত কাইলৈ দ্বিতীয়খন কোৱালিফায়াৰত ৰাজস্থান ৰয়েলছ গুজৰাট টাইটানছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব। এই খেলখনৰ বিজয় দলটোৱে অহা দেওবাৰে আহমেদাবাদৰ নৰেন্দ্ৰ মোডী ষ্টেডিয়ামত হ'বলগীয়া খিতাপ দখলৰ যুঁজত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ সন্মুখীন হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ